আমাৰ অসম
গুৱাহাটী, সোমবাৰ ■ ২৮ পুহ, ১৯৪৬ শক ■ ১৩ জানুৱাৰী ২০২৫

# দিছপুৰ মহাবিদ্যালয়ত 'গীতে মাতে শীতৰ এসন্ধ্যা'

'আমাৰ অসম'ৰ মহানগৰ বাৰ্তা, ১২ জানুৱাৰী ঃ দিছপুৰ মহাবিদ্যালয়ৰ উদ্যোগত আজি এখন অনন্য অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত বৰ্তমান আৰু প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ পৰিয়ালৰ বহু শুভাকাংক্ষী ব্যক্তি উপস্থিত থাকে। 'গীতে মাতে শীতৰ এসন্ধ্যা' শীৰ্ষক অনুষ্ঠানত উপস্থিত থাকে সাংসদ বিজুলী কলিতা, কামৰূপ মহানগৰ জিলাৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ লগতে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্যবিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ ধ্ৰুৱজ্যোতি বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্ত, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডঃ বলেন দাস, ব্ৰিগেডিয়াৰ অজিত কুমাৰ বৰা, জনপ্ৰিয় অভিনেতা প্ৰাঞ্জল শইকীয়া, কণ্ঠশিল্পী তৰালি শৰ্মা, তৃষ্ণা দেৱী, জিনা ৰাজকুমাৰীকে ধৰি মহাবিদ্যালয়খনৰ কেইবাটাও বৰ্ষৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী আৰু অন্য বহু শুভাকাংক্ষী। মহাবিদ্যালয়খনৰ বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা গীত-মাতৰ এই অনুষ্ঠানে সমগ্ৰ সন্ধ্যাটো জীপাল আৰু উজ্জীৱিত কৰি তোলে। মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত সমাজ-সংস্কৃতিমুখী এক চিন্তাধাৰাৰ উদ্ৰেকৰ কাৰণে অনুষ্ঠিত কৰা এই বিশেষ আয়োজনত উপস্থিত থকা সকলো বৰেণ্য ব্যক্তিকে মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে অধ্যক্ষ ডঃ নৱজ্যোতি বৰাই।